**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-07-2024
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে বিজেপি চৰকাৰে তৃতীয় কাৰ্যকালত ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰ দেশৰূপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জম্মু-কাশ্মীৰৰ কঠুৱা জিলাত সেনা বাহিনীৰ ওপৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক গৰিহণা দিছে।

৩। জম্মু-কাশ্মীৰত কালি সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত জড়িত সন্ত্ৰাসবাদীসকলক কৰায়ত্ত কৰাৰ বাবে যুটীয়া অভিযান অব্যাহত আছে।

৪। ভাৰতীয় অলিম্পিক সংস্থাই অলিম্পিকত গগন নাৰঙক পেৰিছ্ অলিম্পিকত ভাগ ল'বলগীয়া খেলুৱৈ দলৰ ছেফ দ্যা মিছন হিচাপে ঘোষণা কৰিছে।

আৰু

৫। ভাৰতীয় মহিলা দলটো আজি তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে বিজেপি চৰকাৰে তৃতীয় কাৰ্যকালত ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰ দেশৰূপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ৰাছিয়াৰ মস্কোত আজি ভাৰতীয় সম্প্ৰদায়ৰ লোকৰ সৈতে মত বিনিময় কৰি শ্ৰী মোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে সম্প্ৰতি ভাৰত নিৰ্ধাৰণ কৰা যিকোনো লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হৈছে। তৃতীয় বাৰৰ বাবে চৰকাৰ গঠন কৰাৰ পাছত হোৱা এই কথোপকথনত শ্ৰী মোদীয়ে কয় যে তেওঁ তিনিগুণ অধিক শক্তি আৰু গতিৰে কাম কৰাৰ সংকল্প গ্ৰহণ কৰিছে। তেওঁ কয় যে বৰ্তমান ভাৰতে বিশ্বক ডিজিটীয় লেনদেনৰ সবাতোকৈ নিৰ্ভৰযোগ্য আৰ্হি প্ৰদান কৰিছে আৰু সামাজিক খণ্ডৰ সৰ্বোৎকৃষ্ট নীতিৰে দেশৰ নাগৰিকসকলক সবল কৰি তুলিছে। বিগত ১০ বছৰত দেশে লাভ কৰা উন্নয়নৰ গতিক লৈ সমগ্ৰ বিশ্ব আশ্চৰ্যচকিত হোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে ভাৰতবৰ্ষলৈ অহা বিশ্বৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণেও দেশখনৰ পৰিৱৰ্তন হোৱা বুলি ক'বলৈ লৈছে। শ্ৰী মোদীয়ে কয় যে ভাৰতত এই পৰিৱৰ্তন অকল ব্যৱস্থা আৰু আন্তঃগাঁথনিৰ মাজতে সীমিত হৈ থকা নাই, বৰং দেশৰ প্ৰতিগৰাকী নাগৰিক আৰু যুৱ প্ৰজন্মৰ আত্মবিশ্বাসৰ মাজতো এই পৰিৱৰ্তন প্ৰত্যক্ষ হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত আৰু ৰাছিয়াই গোলকীয় সমৃদ্ধিত নতুন গতি প্ৰদানৰ উদ্দেশ্যে কান্ধত কান্ধ মিলাই আগবাঢ়িছে। দুয়ো দেশৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে ৰাষ্ট্ৰপতি পুটিনৰ নেতৃত্বৰ তেওঁ শলাগ লয়। শ্ৰী মোদীয়ে কয় যে ভাৰতৰ বিকাশৰ নতুন ধাৰাই বিশ্বৰ উন্নয়নত এটা নতুন অধ্যায়ৰ সূচনা কৰিব। তেওঁ কয় যে ভাৰতে শান্তি, আলোচনা আৰু কূটনীতিৰ কথা ক'লে বিশ্বই এই কথা আগ্ৰহেৰে লয়। প্ৰধানমন্ত্ৰীয়ে কয় যে গোলকীয় অৰ্থ ব্যৱস্থাৰ বিকাশৰ ক্ষেত্ৰত ভাৰতৰ অৱদান ১৫ শতাংশ হৈছে আৰু অনাগত সময়ত এই হাৰ অধিক বৃদ্ধি পাব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে জম্মু-কাশ্মীৰৰ কঠুৱা জিলাত সেনা বাহিনীৰ ওপৰত সংঘটিত আক্ৰমণত ৫ গৰাকী সৈনিকৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে সেনা বাহিনীৰ কনভয়ৰ ওপৰত সংঘটিত এই কাপুৰুষালিভৰা কাৰ্যক সকলোৱে গৰিহণা দিয়া উচিত আৰু এনে ঘটনাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ৰাষ্ট্ৰপতিগৰাকীয়ে সকলোধৰণৰ সন্ত্ৰাবাদৰ বিৰুদ্ধে অব্যাহত থকা যুঁজত প্ৰাণ হেৰুওৱা বীৰ সৈনিকসকলৰ পৰিয়ালবৰ্গলৈ সামাজিক মাধ্যমযোগে সমবেদনা প্ৰকাশ কৰে। তেওঁ লগতে কঠুৱাৰ আক্ৰমণত আহত সৈনিকসকলৰ আশু-আৰোগ্য কামনা কৰে।

ইপিনে, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমযোগে কৈছে যে সমগ্ৰ ৰাষ্ট্ৰ এই কঠিন সময়ত সৈনিকসকলৰ পৰিয়ালৰ সৈতে আছে। সন্ত্ৰাসবাদ বিৰোধী অভিযান অব্যাহত আছে বুলি প্ৰকাশ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতীয় জোৱানসকল অঞ্চলটোত শান্তি-শৃংখলা স্থাপন কৰিবলৈ বদ্ধপৰিকৰ। শ্ৰী সিঙে লগতে এই ভয়াৱহ আক্ৰমণত আহতসকলৰ আশু-আৰোগ্য কামনা কৰে।

০০০০০০০০০

জম্মু-কাশ্মীৰত কালি সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত জড়িত সন্ত্ৰাসবাদীসকলক কৰায়ত্ত কৰাৰ বাবে যুটীয়া অভিযান অব্যাহত আছে।

জম্মু-কাশ্মীৰত কালি কাঠুৱা জিলাৰ মাচেদি অঞ্চলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদীকেইটাৰ সম্ভেদ উলিয়াবলৈ বৃহৎ যৌথ তালাচী অভিযান আৰম্ভ কৰিছে।

আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি স্থলপথেৰে তালাচী চলোৱা দলসমূহক হেলিকপ্টাৰ আৰু UAV নিৰীক্ষণৰ দ্বাৰা সহায় কৰা হৈছে। অঞ্চলটোৰ কিছুমান ঘন বনাঞ্চলৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই অভিযানত স্নিফাৰ ডগ আৰু মেটেল ডিটেক্টৰ ব্যৱহাৰ কৰা হৈছে। কঠুৱা জিলাৰ মাচেডি, বাদনোটে, কিণ্ডলি আৰু লোহাই অঞ্চলত সেনা, আৰক্ষী আৰু চি আৰ পি এফে যুটীয়া কৰ্ডন আৰু তালাচী অভিযান আৰম্ভ কৰিছে। অধিকাংশ বিদেশীৰে গঠিত তিনিৰ পৰা চাৰিজন সন্ত্ৰাসবাদী এই আক্ৰমণত জড়িত থকাৰ সন্দেহ কৰা হৈছে। সন্ত্ৰাসবাদীকেইটা যোৱা ২৮ এপ্ৰিলত বসন্তগড় আক্ৰমণত পানাৰা গাঁৱত সন্ত্ৰাসবাদীৰ সৈতে হোৱা সংঘৰ্ষত নিহত গাঁওৰক্ষী মহম্মদ শ্বৰীফৰ ঘটনাৰ সৈতে জড়িত একেটা গোটৰ অংশ।

০০০০০০০০০

জম্মু-কাশ্মীৰত পুঞ্চ জিলাৰ কৃষ্ণ ঘাটি খণ্ডত নিয়ন্ত্ৰণ ৰেখাৰ সমীপত পৰিলক্ষিত পাকিস্তানী ড্ৰ'নলৈ লক্ষ্য কৰি সেনাই গুলীচালনা কৰে। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি যোৱানিশা ভাৰতীয় ভূখণ্ডৰ ওপৰত কিছু সময়ৰ বাবে উৰি থকা ড্ৰ'নখন পাকিস্তানলৈ উভতি গৈছিল। যোৱানিশা প্ৰায় ৯ বাজি ১৫ মিনিটত নিয়ন্ত্ৰণ ৰেখাত পহৰা দি থকা ভাৰতীয় সৈন্যই ১,০০০ মিটাৰৰো অধিক উচ্চতাত পাকিস্তানী ড্ৰ'নৰ গতিবিধি লক্ষ্য কৰাৰ পাছত ১০ মিনিটৰ ভিতৰতে গুলীচালনা কৰি নমাই আনিছিল যদিও যদিও ড্ৰণখনে উভতি যাবলৈ সক্ষম হয়।

আধা ঘণ্টাৰো অধিক সময়ৰ পাছত পুনৰ এখন পাকিস্তানী ড্ৰ’নে ভাৰতীয় ভূখণ্ডত প্ৰৱেশ কৰা পৰিলক্ষিত হোৱাত সেনাই ইয়াৰ ওপৰত আৰু দুই জাই গুলীচালনা কৰাত ড্ৰণখন অন্যফালে উভতি যায়।

ড্ৰ’নে যাতে কোনো ধৰণৰ অস্ত্ৰ-শস্ত্ৰ বা নিচাযুক্ত দ্ৰব্য নিক্ষেপ নকৰে তাৰ প্ৰতি লক্ষ্য ৰাখি আজি পুৱাৰ ভাগত অগ্ৰগতি গাঁওসমূহত সেনাই তালাচী অভিযান আৰম্ভ কৰে। সীমান্তৰ সিপাৰৰ পৰা অস্ত্ৰ-শস্ত্ৰ আৰু নিচাযুক্ত দ্ৰব্য নিক্ষেপ কৰিবলৈ উৰি অহা ড্ৰ’নৰ তথ্য প্ৰদান কৰা আৰু তেনে সামগ্ৰীৰ উদ্ধাৰ হোৱাৰ পাছত জম্মু কাশ্মীৰ আৰক্ষীয়ে যিকোনো ব্যক্তিক ৩ লাখ টকাৰ নগদ পুৰস্কাৰৰ ঘোষণা কৰিছে ।

০০০০০০০

কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে আজি কয় যে তেল বিপণন কোম্পানীসমূহে এল পি জি গ্ৰাহকৰ বাবে e-KYC আধাৰ প্ৰমাণীকৰণৰ কাম হাতত লৈছে যাতে ভুৱা গ্ৰাহকক আঁতৰাই পেলাব পাৰি, যাৰ নামত বাণিজ্যিক চিলিণ্ডাৰ প্ৰায়ে কিছুমান বিশেষ গেছ বিতৰকে বুকিং কৰে। শ্ৰী পুৰীয়ে কয়, এই প্ৰক্ৰিয়াটো ৮ মাহতকৈও অধিক সময় ধৰি চলি আছে।

কেৰালাৰ বিৰোধী দলপতি ভি ডি সাথিছানে গেছ এজেন্সীত এল পি জি পুনৰীক্ষণে সাধাৰণ লোকৰ বাবে অসুবিধাৰ সৃষ্টি কৰা বুলি দাবী কৰা এখন পত্ৰৰ প্ৰত্যুত্তৰত মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। শ্ৰী পুৰীয়ে পুনৰ কয় যে ডেলিভাৰীৰ সময়ত এল পি জি কৰ্মীসকলে গ্ৰাহকৰ আধাৰ তথ্য থকা এটা মোবাইল এপ ব্যৱহাৰ কৰি গ্ৰাহকৰ সবিশেষ পুনৰীক্ষণ কৰে। প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিবলৈ গ্ৰাহকলৈ এটা অ’টিপি প্ৰেৰণ কৰা হয়। তেওঁ গুৰুত্বসহকাৰে কয় যে তেল বিপনন কোম্পানীসমূহ বা কেন্দ্ৰীয় চৰকাৰৰ পৰা এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কোনো সময়সীমা নিৰ্ধাৰণ কৰা হোৱা নাই আৰু গ্ৰাহকে তেল বিপণন কোম্পানীসমূহ চমুকৈ OMC-ৰ মোবাইল এপ ব্যৱহাৰ কৰি প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিব পাৰে। শ্ৰীপুৰীয়ে লগতে কয় যে গ্ৰাহকক আশ্বস্ত কৰাৰ বাবে তেল কোম্পানীসমূহেও এই বিষয়ত সংবাদ মাধ্যমত স্পষ্টীকৰণ জাৰি কৰিছে।

০০০০০০

বিহাৰৰ বেগুচৰাই জিলাৰ এফ চি আই আৰক্ষী থানাৰ অধীনৰ ৰতন চ’ক চহৰৰ সমীপত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা হোৱা এটা পথ দুৰ্ঘটনাত ৫ জন লোক নিহত হয় আৰু অন্য চাৰিজন আহত হয়। এখন মটৰ গাড়ীয়ে অট’ৰিক্সাত খুন্দা মৰাৰ ফলতে এই ঘটনাটো ঘটে। দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা আটাইকেইজন লোক অট’ৰিক্সাৰ যাত্ৰী আছিল। দুৰ্ঘটনাত আহত চাৰিওজন লোকক বেগুচৰাইৰ এখন স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০০০০

ভাৰতীয় অলিম্পিক সংস্থাই অলিম্পিকত চাৰিবাৰকৈ অংশগ্ৰহণ কৰা তথা ২০১২ চনৰ অলিম্পিক ক্ৰীড়া মহোৎসৱত পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰা গগন নাৰঙক ২৬ জুলাইৰ পৰা  হ'বলগীয়া চলিত বৰ্ষৰ পেৰিছ অলিম্পিকত ভাগ ল'বলগীয়া খেলুৱৈ দলৰ ছেফ দ্য মিছন হিচাপে ঘোষণা কৰিছে। নাৰঙে এম চি মেৰিকমৰ ঠাইত এই দায়িত্ব গ্ৰহণ কৰিব।

অলিম্পিক সংস্থাৰ অধ্যক্ষ ড০ পি টি উষাই কালি কয় যে মেৰিকমে পদ ত্যাগ কৰাৰ পাছত উপ-ছেফ দ্যা মিচন নাৰঙক এই দায়িত্ব অৰ্পণ কৰা হয়। ড০ উষাই লগতে দুবাৰকৈ অলিম্পিকত পদক অৰ্জন কৰা একমাত্ৰ ভাৰতীয় মহিলা খেলুৱৈ পি ভি সিন্ধুৰে টেবল টেনিছ তাৰকা অশান্ত শৰৎ কমলৰ সৈতে ভাৰতীয় দলৰ পতাকা বহন কৰিব বুলি ঘোষণা কৰে। ড০ উষাই প্ৰতিযোগিতাত ভাৰতীয় খেলুৱৈসকলে দেশৰ বাবে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন উজাৰি দিবলৈ সম্পূৰ্ণৰূপে সাজু বুলি ব্যক্ত কৰে। ছবাৰকৈ বিশ্ব চেম্পিয়নৰ খিতাপ দখল কৰা মেৰিকমে যোৱা এপ্ৰিলত ব্যক্তিগত কাৰণত ছেফ দ্যা মিছনৰ পদ ত্যাগ কৰিছিল।

০০০০০

———ভাৰতীয় মহিলা ক্ৰিকেট দলটো আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। একেখন ষ্টেডিয়ামতে অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত আলহী দলটোৱে ভাৰতক ১২ ৰানত পৰাস্ত কৰাৰ বিপৰীতে দ্বিতীয় খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হৈছিল।

০০০০০০০০০

**সমাপ্ত**